**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-06-2024
**Time :** 18.00 Hrs.

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::::::::::

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ভৱনত সন্ধিয়া ৬ বজাত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে নৰেন্দ্ৰ মোদী আৰু তেওঁৰ নতুন কেবিনেটক শপতবাক্য পাঠ কৰোৱাব। এন ডি এৰ নেতাসকলে আজি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী জনায়। ইতিমধ্যে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতি ক্ৰমে নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা হিচাপে নিৰ্বাচন কৰিছে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ চেণ্ট্ৰেল হলত অনুষ্ঠিত এন ডি এ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে এন ডি এৰ নেতা হিচাপে শ্ৰী মোদীৰ নাম প্ৰস্তাৱ কৰে। এই প্ৰস্তাৱত এন ডি এৰ সকলো দলে সমৰ্থন জনায়। শ্ৰী মোদী লোকসভাত বিজেপিৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ লগতে বিজেপি সংসদীয় দলৰ নেতা হিচাপেও নিৰ্বাচিত হৈছে।

ইপিনে বিজেপিৰ সভাপতি জে পি নাড্ডাই ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশত দলটোৰ সাফল্যক প্ৰশংসা কৰে। অনুষ্ঠানত আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধুৰীৰ লগতে পীয়ুষ গোৱেল, অনুৰাগ ঠাকুৰকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকে। তদুপৰি উত্তৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী য়োগী আদিত্য নাথ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেল, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱান্ত, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙো উপস্থিত থাকে। ড° হিমন্ত বিশ্ব শৰ্মাই এন ডি এৰ সংসদীয় দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ বাবে নৰেন্দ্ৰ মোদীক অভিনন্দন জনায়। ড° শৰ্মাই কয় যে, এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালে সংস্কাৰৰ নতুন প্ৰভাত কঢ়িয়াই অনাৰ লগতে দেশৰ জনসাধাৰণক বিকাশৰ দিশে ধাবমান কৰাব। বিগত দশকত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, এই বিকাশৰ ধাৰা অব্যাহত থাকিব।

০০০০

তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে বাৰিষাৰ সময়ছোৱাত জিলাখনত মহৰ দ্বাৰা বিয়পিব পৰা ডেংগী, মেলেৰীয়া, জাপানী এনকেফেলাইটিছ আদি ৰোগৰ যাতে প্ৰাদুৰ্ভাৱ নঘটে তাৰ বাবে আগতীয়া প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সম্পৰ্কীয় এখন বিভাগীয় পৰ্যালোচনা বৈঠকত স্বাস্থ্য বিভাগৰ লগতে পশুপালন আৰু পশু চিকিৎসা, জনস্বাস্থ্য কাৰিকৰী, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগক নিৰ্দিষ্ট সুকীয়া দায়িত্ব পালনৰ জৰিয়তে সংঘবদ্ধ প্ৰচেষ্টাৰে এই ৰোগ সম্পূৰ্ণ নিৰ্মুল কৰাৰ প্ৰচেষ্টাত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাত জিলা মেলেৰীয়া বিষয়াগৰাকীয়ে কয় যে, এইবছৰ জিলাখনত মেলেৰীয়া আৰু ডেংগী ৰোগত এগৰাকীও লোক আক্ৰান্ত হোৱা নাই। তেওঁ লগতে এই ৰোগৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলসমূহ চিনাক্ত কৰা হৈছে আৰু এনে অঞ্চলসমূহত পৰিষ্কাৰ পৰিচ্ছন্নতা ৰক্ষা কৰাত গুৰুত্ব আৰোপ কৰা হৈছে বুলি কয়। তেওঁ জিলাখনৰ প্ৰতিখন বিদ্যালয় চৌহদত থকা আৱদ্ধ পানীৰ উৎস, গাড়ীৰ পেলনীয়া টায়াৰ আদি পৰিষ্কাৰ কৰিবলৈ জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ

দিয়া হৈছে। সভাত জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু জিলা পৰিষদ আৰু পৌৰসভাৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

০০০০

চৰাইদেউ জিলাৰ কৃষি বিভাগৰ উদ্যোগত আজি বিভাগীয় আঁচনিসমূহ তথা কৃষক উৎপাদক গোট সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সোণাৰী কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত কৃষক উৎপাদন গোটসমূহে কৃষি পদ্ধতি তথা তেঁওলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। সভাত জিলা কৃষি বিষয়াই এই ক্ষেত্ৰত থকা আসোঁৱাহসমূহ দূৰীকৰণৰ বাবে প্ৰচেষ্টা চলাব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে কৃষকসকলক কৃষিকাৰ্যৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ বাবে বিভিন্ন বিভাগীয় আঁচনিৰ লাভালাভৰ বিষয়ে ব্যক্ত কৰে। এই সভাত কৃষক গোটৰ কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ অধীনত বীমা কৰাবলৈও পৰামৰ্শ দিয়ে। সভাত জিলা কৃষি বিভাগৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত আছিল।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত **মোদীৰ তৃতীয় কাৰ্যকাল**' বিষয়ত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে স্বাস্থ্য মন্থন ১২ শীৰ্ষক এখন কৰ্মশালা তথা পৰ্যালোচনা সভা অনুষ্ঠিত হয়। কৰ্মশালাখন উদ্বোধন কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অভিযান সঞ্চালক ডঃ এম এছ লক্ষ্মীপ্ৰিয়াই ২০২৩-২৪ বিত্তীয় বৰ্ষৰ সামগ্ৰিক প্ৰদৰ্শন প্ৰকাশ কৰে। কৰ্মশালা আৰু পৰ্যালোচনা সভাত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলাসমূহক সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত জিলা স্বাস্থ্য বিষয়াসকলৰ প্ৰতিখন জিলাৰ স্বাস্থ্য সেৱা প্ৰদৰ্শন সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

০০০০

সমাপ্ত